# অসম চাহ শ্ৰমিক কৰ্মচাৰী ভৱিষ্যনিধি সংগঠন

"নিধি ভৱন", লালমাটি, বশিষ্ঠ, গুৱাহাটী-২৯

## গোহাৰি

অসমৰ প্ৰাক্তন শ্ৰমমন্ত্ৰী তথা অসম চাহ বাগিছা ভৱিষ্যনিধি আৰু বৃত্তিনিধি আচঁনি প্ৰবৰ্তনত অগ্ৰনী ভুমিকা লোৱা লোকনায়ক অমিয় কুমাৰ দাস দেৱৰ সোঁৱৰণত অসম চাহ শ্ৰমিক কৰ্মচাৰী ভৱিষ্যনিধি সংগঠনৰ দ্বাৰা ২০২১-২২ বৰ্ষৰ ক্ৰমে অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৭৫% বা ততোধিক নম্বৰ লাভ কৰা চাহ বাগিচাৰ ভৱিষ্যনিধি সভ্য সকলক তিনিটা গোটত ( শ্ৰমিক, উপ-কৰ্মচাৰী আৰু কৰ্মচাৰী ) ভগাই তেখেত সকলৰ সন্তানসকলক ভৱিষ্যত শিক্ষাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা জনোৱাৰ উদ্দেশ্যে লোকনায়ক অমিয় কুমাৰ দাস সোঁৱৰণী বটা প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

এই বটাঁ প্ৰদান আচঁনিৰ অধীনত ওপৰত উল্লেখিত প্ৰতিটো গোটৰ শীৰ্ষ নম্বৰ প্ৰাপ্ত তিনিজন ছাত্ৰ-ছাত্ৰীক (উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ কলা, বাণিজ্য আৰু বিজ্ঞান তিনিওতা শাখাৰ মুঠ ৩৬ জন) ক্ৰমে ২০,০০০/-, ১৫,০০০/- আৰু ১০,০০০/- তথা নুন্যতম ৭৫ শতাংশ বা ততোধিক নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক নগদ ৫,০০০/- টকাকৈ প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই উদ্দেশ্যে নিৰ্ধাৰিত নম্বৰ সহ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক সকলক ছাত্ৰ-ছাত্ৰী সকলে অধ্যয়ন কৰি অহা বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকৰ স্বাক্ষৰ সম্বলিত নম্বৰ তালিকাৰ প্ৰতিলিপি বাগিছা কৰ্তৃপক্ষৰ যোগেদি অসম চাহ শ্ৰমিক কৰ্মচাৰী ভৱিষ্যনিধি সংগঠনৰ সংশ্লিষ্ট সংমণ্ডল/পৰিদৰ্শকৰ কাৰ্যালয়ত অহা ইং <u>৩১-০৭-২০২২</u> তাৰিখৰ ভিতৰত দাখিল কৰিবলৈ অনুৰোধ জনোৱা হ'ল। আৱেদন পত্ৰৰ লগত অভিভাৱকৰ নাম আৰু ভৱিষ্যনিধি নম্বৰ, কৰ্মৰত বাগিচাৰ নাম উল্লেখ কৰিব লাগিব।

এই সন্দৰ্ভত অধিক তথ্যৰ বাবে অসম চাহ শ্ৰমিক কৰ্মচাৰী ভৱিষ্যনিধি সংগঠনৰ সংমণ্ডল/পৰিদৰ্শকৰ কাৰ্যালয়ত বা অসম চাহ শ্ৰমিক কৰ্মচাৰী ভৱিষ্যনিধি সংগঠনৰ মূখ্য কাৰ্য্যালয়ত (প্ৰশিক্ষণ আৰু গৱেষণা কোষ) নিধি ভৱন, লাল মাটি, গুৱাহাটী-২৯ যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

সুৰজিৎ দাস
সচিব-তথা-ভৱিষ্যনিধি আয়ুক্ত

Phone: 2300108, 2300604, 2300742, 2304263 Fax: 0361-2302602 E-Mail: atppf@live.com website: atppf.nic.in